**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-04-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

***HEADLINES***

১। পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ কাইলৈ অনুষ্ঠিত হ'ব।

২। কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ দেশত ঘৰুৱা ৰন্ধন গেছ আৰু পি এন জি তথা বাহনত ব্যৱহৃত চি এন জিৰ এশ শতাংশ যোগানৰ আশ্বাস দিছে।

৩। শ্ৰম আৰু নিয়োগ মন্ত্ৰী মনসুখ মন্দাভিয়াই কৰ্ম শক্তিত মহিলাৰ সম অংশগ্ৰহণক সামাজিক বাধ্য বাধকতা আৰু অৰ্থনৈতিক আৱশ্যকতা বুলি অভিহিত কৰিছে।

৪। কুখ্যাত অপৰাধী ডাউদ ইব্ৰাহীমৰ ঘনিষ্ঠ সহযোগী তথা ড্ৰাগছ সৰবৰাহকাৰী মহম্মদ ছেলিম ডোলাক ভাৰতলৈ প্ৰত্যৰ্পন কৰা হৈছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পঞ্জাৱ কিংছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ কাইলৈ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত ৰাজ্যখনত ৭ খন জিলাৰ ১৪২ টা সমষ্টি সামৰি লোৱা হ'ব। দ্বিতীয় পৰ্যায়ত ৩ কোটি ২০ লাখৰো অধিক ভোটদাতাই এহেজাৰ ৪৪৮ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে কেন্দ্ৰীয় বাহিনীৰ দুহেজাৰ ৩২১ টা কোম্পানী নিয়োগ কৰা হৈছে। ইয়াৰ উপৰি ১৪২ গৰাকী সাধাৰণ পৰ্যবেক্ষক, ৯৫ গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ১০০ গৰাকী ব্যয় পৰ্যবেক্ষকক নিৰ্বাচনী দায়িত্বত নিয়োজিত কৰা হৈছে। ভোটগ্ৰহণ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে দ্বিতীয় পৰ্যায়ত ৪১ হাজাৰ এটা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ বাৰানসীত প্ৰায় ছহেজাৰ ৩৫০ কোটি টকা মূল্যৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত পথ, ৰে'ল, পানী যোগান, স্বাস্থ্য সেৱা, পৰ্যটন আৰু নগৰাঞ্চলৰ আন্তঃগাঁথনিৰ সৈতে জড়িত কেইবাটাও প্ৰকল্প আছে। প্ৰধানমন্ত্ৰীয়ে লগতে মহিলা সন্মিলনতো অংশ লয়। শ্ৰী মোদীয়ে কাইলৈ বাৰানসীৰ শ্ৰীকাশী বিশ্বনাথ মন্দিৰ দৰ্শন কৰিব। ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰীগৰাকী কাইলৈ হাৰদৈলৈ যাব আৰু তাত তেওঁ গংগা এক্সপ্ৰেছৱে মুকলি কৰিব। ৩৬ হাজাৰ কোটিৰো অধিক টকা ব্যয়েৰে ৫৯৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ ছটা লেনযুক্ত এই কৰিড'ৰটো বিকশাই তোলা হৈছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ দেশত ঘৰুৱা ৰন্ধন গেছ আৰু পি এন জি তথা বাহনত ব্যৱহৃত চি এন জিৰ এশ শতাংশ যোগানৰ আশ্বাস দিছে। নতুন দিল্লীত আজি আন্তঃ মন্ত্ৰালয় পৰ্যায়ৰ এখন সংবাদমেলত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ সচিব সুজাতা শৰ্মাই কয়, যে ৰন্ধন গেছৰ যোগান সুস্থিৰ হৈ আছে আৰু কোনো বিতৰণ কেন্দ্ৰত গেছৰ নাটনি হোৱা নাই। তেওঁ কয়, যে চৰকাৰে বাণিজ্যিক ৰন্ধন গেছ আৰু পি এন জিৰ যোগান ৭০ শতাংশ পৰ্যন্ত পূৰণ কৰিবলৈ সমৰ্থ হৈছে আৰু এই ক্ষেত্ৰত চিকিৎসালয় আৰু শৈক্ষিক প্ৰতিষ্ঠানসমূহক বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। তেওঁ কয়, যে প্ৰব্ৰজনকাৰী শ্ৰমিকৰ বাবে ৫ কিলোগ্ৰাম ওজনৰ বিনামূলীয়া ৰন্ধন গেছৰ চিলিণ্ডাৰৰ যোগান দুগুণলৈ বৃদ্ধি কৰা হৈছে। এপ্ৰিলত বৰ্তমানলৈকে ১ লাখ ৭৫ হাজাৰ টনৰো অধিক বাণিজ্যিক ৰন্ধন গেছৰ বিক্ৰী হৈছে আৰু ইয়াৰে ভিতৰত কালি ৯ হাজাৰ ৫৭৮ টন গেছ বিক্ৰী হৈছে বুলি সচিবগৰাকীয়ে মন্তব্য কৰে।

বাইট (সুজাতা শৰ্মা)

বস্ত্ৰ মন্ত্ৰালয়েও পশ্চিম এছিয়াৰ পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। সংবাদমেলত বস্ত্ৰ মন্ত্ৰালয়ত বাণিজ্য সচিব বিপিন মেননে কয়, যে জাহাজ চলাচলৰ ক্ষেত্ৰত উদ্ভৱ হোৱা বাধা আৰু অন্য বাণিজ্যিক সমস্যাসমূহ সমাধান কৰি থকা হৈছে। ৰপ্তানিকাৰীসকলক বিকল্প পথ আৰু জেদ্দাহৰ দৰে বন্দৰ ব্যৱহাৰৰ পৰামৰ্শ দিয়া হৈছ। তেওঁ কয়, যে ইন্ধন আৰু গেছৰ যোগানে গড় চাহিদাৰ প্ৰায় ৮০ শতাংশ স্পৰ্শ কৰিছে।

বন্দৰ, জাহাজ চলাচল আৰু জলপথ বিভাগৰ সঞ্চালক মুকেশ পাণ্ডেই কয়, যে উপ-সাগৰীয় অঞ্চলত থকা ভাৰতীয় নাৱিকসকল নিৰাপদে আছে আৰু বিগত ২৪ ঘণ্টাত ভাৰতীয় ধবজাবহনকাৰী জাহাজৰ সৈতে কোনো অপ্ৰীতিকৰ ঘটনা ঘটাৰ বাতৰি পোৱা হোৱা নাই। মন্ত্ৰালয়ে ভাৰতীয় নাৱিকসকল নিৰাপদে স্বদেশলৈ ঘূৰাই অনাটো সুনিশ্চিত কৰিছে বুলি তেওঁ মন্তব্য কৰে।

ooooooo

শ্ৰম আৰু নিয়োগ মন্ত্ৰী মনসুখ মন্দাভিয়াই কৰ্ম শক্তিত মহিলাৰ সম অংশগ্ৰহণক সামাজিক বাধ্য বাধকতা আৰু অৰ্থনৈতিক আৱশ্যকতা বুলি অভিহিত কৰিছে। নতুন দিল্লীত আজি এটা অনুষ্ঠানত ভাষণ দি শ্ৰী মন্দাভিয়াই কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত প্ৰৱৰ্তন কৰা নতুন শ্ৰম বিধিক প্ৰথমবাৰৰ বাবে গিগ ৱৰ্কাৰ অৰ্থাৎ হ্ৰস্বকালীন প্ৰকল্প বা চাহিদা ভিত্তিক কামৰ বাবে স্ব-নিয়োজিত কৰ্মচাৰী আৰু প্লেটফ'ৰ্ম ৱৰ্কাৰ অৰ্থাৎ অনলাইন মঞ্চৰ বাবে সেৱা আগবঢ়োৱা ব্যক্তিসকলৰ আনুষ্ঠানিক পৰিচয় প্ৰদান কৰা হৈছে। এই ঐতিহাসিক পদক্ষেপৰ জৰিয়তে এনে কৰ্মচাৰীসকলক সামাজিক সুৰক্ষা প্ৰদান কৰি তেওঁলোকৰ ভৱিষ্যত নিৰাপদ কৰিব বিচৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে মহিলাৰ শ্ৰম শক্তিৰ অংশগ্ৰহণ ২০১৭-১৮ বৰ্ষৰ ২৩ শতাংশ পৰা ২০২৫ বৰ্ষত ৪০ শতাংশলৈ বৃদ্ধি পাইছে।

ooooooo

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি চলিত শিক্ষাবৰ্ষৰ বাবে এন চি ই আৰ টি অৰ্থাত ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথিৰ উপলভ্যতা, মুদ্ৰণ আৰু বিতৰণ প্ৰক্ৰিয়াৰ পৰ্যালোচনা কৰে। শিক্ষা মন্ত্ৰালয়ে জনোৱা মতে, মন্ত্ৰীগৰাকীয়ে বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত কিমান কিতাপ মজুত আছে সেই বিষয়ে মূল্যায়ন কৰে। বিশেষকৈ গ্ৰামাঞ্চলৰ শিক্ষাৰ্থীসকলে সময়মতে কিতাপ লাভ কৰাটো নিশ্চিত কৰাৰ উদ্দেশ্যে ৰাজ্যিক কৰ্তৃপক্ষ আৰু বিতৰণ সংস্থাসমূহৰ সমন্বয়ৰ দিশটোত তেওঁ চকু দিয়ে। শ্ৰীপ্ৰধানে যোগান শৃংখলা শক্তিশালী কৰা আৰু মুদ্ৰণ ক্ষমতা বৃদ্ধি কৰাৰ লগতে শেষ পৰ্যায়ৰ বিতৰণ প্ৰক্ৰিয়া সূক্ষ্মভাৱে নিৰীক্ষণ কৰাৰ বাবে বিষয়াসকলক নিৰ্দেশ দিয়ে। ছাত্ৰ-ছাত্ৰীয়ে ছপা পাঠ্যপুথিৰ লাভ নকৰা পৰ্যন্ত নিৰৱচ্ছিন্ন শিক্ষাৰ অন্তৰ্বৰ্তীকালীন ব্যৱস্থা হিচাপে ই-পাঠশালাৰ জৰিয়তে ডিজিটেল পাঠ্যপুথি উপলভ্য হ'ব বুলিও তেওঁ উল্লেখ কৰে।

0000000

কুখ্যাত অপৰাধী দাউদ ইব্ৰাহিমৰ ঘনিষ্ঠ সহযোগী তথা ড্ৰাগছ সৰবৰাহকাৰী মহম্মদ চেলিম ডোলাক আজি নিচেই পুৱা ভাৰতলৈ অনা হৈছে। মাদক দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰোৱে তুৰস্কৰ পৰা চেলিম ডোলাক আনিবলৈ সক্ষম হোৱাটো ডাঙৰ সফলতা বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। তেওঁ কয় যে চেলিম ডোলাৰ গ্ৰেপ্তাৰে মাদক দ্ৰব্যৰ সৈতে জড়িত সকলো পলাতক আৰু সংগঠিত অপৰাধী চক্ৰৰ সদস্যক আইনৰ কাঠগড়াত থিয় কৰোৱাৰ ক্ষেত্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ দৃঢ় সংকল্পকে প্ৰতিফলিত কৰিছে। সামাজিক মাধ্যমৰ এটা পষ্টত শ্ৰীশ্বাহে কয় যে মোদী চৰকাৰৰ ড্ৰাগছ সৰবৰাহ নিৰ্মূল অভিযানৰ অধীনত দেশৰ নিচাজাতীয় দ্ৰব্য বিৰোধী সংস্থাসমূহে গোলকীয় সংস্থাসমূহৰ সৈতে শক্তিশালীভাৱে জড়িত হৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ নিজৰ পৰিসৰ সম্প্ৰসাৰিত কৰিছে। মাদক দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰোৱে আন্তঃৰাষ্ট্ৰীয় আৰু ভাৰতীয় চোৰাংচোৱা সংস্থাসমূহৰ সৈতে সমন্বয় ৰক্ষা কৰি অপাৰেচন গ্ল’বেল-হাণ্ট'ৰ জৰিয়তে চেলিম ডোলাৰ প্ৰত্যৰ্পণ সুনিশ্চিত কৰিছে।

আজি পুৱতি নিশা দিল্লীৰ ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত উপস্থিত হোৱাৰ লগে লগে মাদক দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰোৱে তেওঁক জিম্মাত লয়।

চেলিম ডোলা ভাৰতত কেইবাটাও ড্ৰাগছ সৰবৰাহৰ গোচৰত অভিযুক্ত আছিল আৰু দীৰ্ঘদিন ধৰি ভাৰতীয় আইন বলবৎকাৰী সংস্থাৰ চকুত ধূলি দি পলাতক হৈ আছিল।

০০০০

কেন্দ্ৰীয় চৰকাৰে বৰ্ধিত তাপমাত্ৰা আৰু গ্ৰীষ্মপ্ৰৱাহৰ বিৰূপ প্ৰভাৱৰ পৰা শ্ৰমিকসকলক সুৰক্ষা প্ৰদানৰ উদ্দেশ্যে ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহলৈ পৰামৰ্শ জাৰি কৰিছে। শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুখ্য সচিব আৰু প্ৰশাসকসকললৈ লিখা এখন পত্ৰত শ্ৰমিকসকলক বিশেষকৈ মুকলি ঠাইত নিয়োজিত শ্ৰমিকসকলক সুৰক্ষা প্ৰদানৰ বাবে সমন্বিত আৰু বহুমুখী দৃষ্টিভংগী গ্ৰহণ কৰাত গুৰুত্ব আৰোপ কৰিছে। দেশৰ ভালেমান অংশত গ্ৰীষ্ম প্ৰৱাহৰ প্ৰকোপলৈ চাই ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহক নিয়োগকৰ্তা, উদ্যোগ আৰু নিৰ্মাণ কোম্পানীসমূহক শ্ৰমিকসকলৰ বাবে নিৰাপত্তা ব্যৱস্থাৱলী ততালিকে ৰূপায়ণ কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। পৰামৰ্শাৱলীত কৰ্মস্থলীত পৰ্যাপ্ত খোৱাপানী আৰু জিৰণি লোৱা ঠাইৰ ব্যৱস্থা কৰিবলৈ কোৱা হৈছে। নিৰ্মাণ কামৰ সৈতে জড়িত কৰ্মচাৰী, দিন হাজিৰা কৰা শ্ৰমিক আৰু অস্থায়ী শ্ৰমিকসকলৰ নিৰাপত্তাত বিশেষ গুৰুত্ব আৰোপ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। কৰ্মচাৰী ৰাজ্যিক বীমা নিগম আৰু শ্ৰম কল্যাণ সঞ্চালক প্ৰধানক গ্ৰীষ্ম প্ৰৱাহৰ ফলত অসুস্থ হোৱাসকলৰ বাবে বিশেষ হেল্প ডেস্ক মুকলি কৰিবলৈ কোৱা হৈছে। ইয়াৰ উপৰি অ' আৰ এছ্, আইচ পেক আৰু গ্ৰীষ্ম প্ৰৱাহৰ ফলত অসুস্থ হোৱা লোকৰ চিকিৎসাত ব্যৱহাৰ্য সামগ্ৰী পৰ্যাপ্ত মাত্ৰাত মজুত ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে। মন্ত্ৰালয়ে সকলো সংস্থাক এই সন্দৰ্ভত লোৱা ব্যৱস্থা সম্পৰ্কে প্ৰতি ১৫ দিনৰ মূৰে মূৰে প্ৰতিবেদন দাখিল কৰিবলৈ কৈছে।

০০০০০০০

দেশত ঔদ্যোগিক উৎপাদন বৃদ্ধিৰ হাৰ যোৱামাহত ফেব্ৰুৱাৰীৰ ৫ দশমিক ১ শতাংশৰ পৰা চাৰি দশমিক ১ শতাংশলৈ হ্ৰাস পায়। এই হাৰ বিগত ৫ মাহৰ ভিতৰত আটাইতকৈ কম। পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয়ে জাৰি কৰা তথ্য অনুসৰি যোৱা মাহত নিৰ্মাণ খণ্ডৰ হাৰ ফেব্ৰুৱাৰীৰ পাঁচ দশমিক ৯ শতাংশৰ পৰা ৪ দশমিক ৩ শতাংশলৈ অৱনমিত হয়। বিদ্যুতৰ উৎপাদন হাৰো ফেব্ৰুৱাৰীত ২ দশমিক ৩ শতাংশৰ পৰা হ্ৰাস পাই মাৰ্চত শূন্য দশমিক আঠ শতাংশ হয়।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি সন্ধিয়া চাৰে ৭ বজাত পঞ্জাৱ কিংছ্ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিউ চণ্ডীগড়ত অনুষ্ঠিত হ'ব।

ইপিনে কালি অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে দেলহী কেপিটেলছক ৯ উইকেটত পৰাস্ত কৰে।

০০০০০০০

সমাপ্ত